# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-APR-2026
**Time :** 1800 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১। উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিৰ ২৩৯ নম্বৰ বুথত আজি পুনৰ ভোটগ্ৰহণ।

২। পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ মনোনয়ন পত্ৰ পৰীক্ষা প্ৰক্ৰিয়া সম্পূৰ্ণ।

৩। ৰাজ্যজুৰি ৰঙালীৰ উৎসাহ-উদ্দীপনা। বিভিন্ন ঠাইত অসমী ব'হাগী মেলাৰ আয়োজন।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ পঞ্জাব কিংছক ২২০ ৰানৰ বিজয় লক্ষ্য।

ooooo

নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি শ্ৰীভূমি জিলাৰ উত্তৰ কৰিমগঞ্জ বিধানসভা সমষ্টিৰ ১২৩ নম্বৰ এলেকাৰ অন্তৰ্গত ২৩৯ নম্বৰ বেবিলেণ্ড হাই ইংলিছ স্কুল ভোটকেন্দ্ৰত আজি পুৱাৰে পৰা পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। শান্তিপূৰ্ণ পৰিৱেশত দীঘলীয়া শাৰীত থিয় হৈ ভোটদাতাসকলে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। মুঠ ৫৯৯ টা ভোটৰ প্ৰায় ৩০০টা ইতিমধ্যে দিয়া হৈছে। জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদী আৰু শীৰ্ষ আৰক্ষী প্ৰশাসনে ভোটগ্ৰহণৰ সামগ্ৰীক পৰিস্থিতিৰ পৰ্যালোচনা কৰিছে। উল্লেখযোগ্য যে, যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত ভোটগ্ৰহণ সম্পৰ্কীয় প্ৰতিবেদন আৰু সামগ্ৰিক পৰিস্থিতি পৰ্যালোচনা কৰি নিৰ্বাচন আয়োগৰ সচিবালয়ে জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ৫৮ নম্বৰ ধাৰা অনুসৰি কেন্দ্ৰটোত হোৱা ভোটগ্ৰহণ বাতিল কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি পুনৰ ভোটকেন্দ্ৰটোত ভোটগ্ৰহণ কৰা হৈছে। স্থানীয় বাসিন্দাসকলে এই পুনৰ ভোটগ্ৰহণৰ সিদ্ধান্ত নিৰ্বাচনী স্বচ্ছতা আৰু নিৰপেক্ষতাৰ দিশত ইতিবাচক পদক্ষেপ বুলি মন্তব্য কৰিছে। এই সন্দৰ্ভত আমাৰ শ্ৰীভূমি জিলাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে এইদৰে কয়।

-বাইট-

পুনৰ ভোটগ্ৰহণ উপলক্ষে আজি আবেলি ৫ বজালৈ শ্ৰীভূমি পৌৰসভাৰ অধীনস্থ সমগ্ৰ অঞ্চলটোত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে।

ooooo

পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্য্যায়ৰ বাবে মনোনয়ন পত্ৰ পৰীক্ষাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। এই পৰ্য্যায়ৰ বাবে দাখিল কৰা ১ হাজাৰ ৫২৫ খন মনোনয়নৰ ভিতৰত ১ হাজাৰ ৪৬৩ খন বৈধ বিবেচিত হৈছে আৰু ৬২ খন অগ্ৰাহ্য কৰা হৈছে। ৰাজ্যখনত অহা ২৯ এপ্ৰিলত দ্বিতীয় পৰ্য্যায়ত ১৪২ টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ১৩ এপ্ৰিল ধাৰ্য্য কৰা হৈছে। ইপিনে, ৰাজ্যখনৰ ১৬ খন জিলাৰ ১৫২ টা সমষ্টিত অহা ২৩ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। এই পৰ্যায়ত ১ হাজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে।

ৰাজ্য খনত পূৰ্বৰ নিৰ্বাচনৰ তুলনাত এইবাৰ প্ৰাৰ্থীৰ সংখ্যা কিছু বৃদ্ধি পাইছে। কোচবিহাৰ দক্ষিণ আৰু ইটাহাৰ সমষ্টিৰ পৰা সৰ্বাধিক ১৫ গৰাকীকৈ প্ৰাৰ্থী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। চন্দ্ৰকনা সমষ্টিত সৰ্বনিম্ন ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ উঠিছে। জ্যেষ্ঠ বিজেপি নেতা আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি ৰাজ্যখনৰ অনদাত নিৰ্বাচনৰ প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। বিজেপি নেতাগৰাকীয়ে ৰাজ্যখনৰ শাসনত থকা তৃণমূল কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। তেওঁ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ নেতৃত্বত দলটোৱে ৰাজ্যখনৰ অৰ্থনৈতিক পৰিকাঠামো ধংস কৰিছে বুলি দাবী কৰে। ইফালে শাসনাধিষ্ঠ তৃণমূল কংগ্ৰেছে বিজেপিক বাংলা ভাষা বিৰোধী স্থিতি গ্ৰহণ কৰা বুলি তীব্ৰ সমালোচনা কৰে।

ooooo

অসমবাসীৰ হেঁপাহৰ ৰঙালী বিহুলৈ মাজত দুটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণৰ মনত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। উজনিৰ পৰা নামনিলৈ বিহুৰ আখৰা কৰা ডেকাৰ ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। ডেকা গাভৰুসকলে বিহু নাচৰ আখৰাৰ লগতে বিহু বাদ্যসমূহ যোগাৰ কৰিছে। বাপতিসাহোন ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। বকোত আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ উদ্যোগত বিহুনাচৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ২৩ গৰাকী প্ৰশিক্ষকে এই কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিছে। কামৰূপ আৰু গোৱালপাৰা জিলাৰ এহেজাৰ ২০০তকৈ অধিক ল'ৰা-ছোৱালীয়ে কৰ্মশালাত অংশ লৈছে। কৰ্মশালাত অভিনেত্ৰী শ্যামন্তিকা বৰুৱা উপস্থিত থাকে। পশ্চিম মায়ং আঞ্চলিক ৰঙালী সন্মিলনীৰ উদ্যোগতো ১৫ দিনীয়াকৈ বিহু কৰ্মশালাৰ আয়োজন কৰা হৈছে।

বিশ্বনাথ জিলাৰ কলাবাৰীত বিহুৰ কৰ্মশালা অনুষ্ঠিত হৈছে। কৰ্মশালাত দুই শতাধিক নাচনী-ঢুলীয়াই অংশগ্ৰহণ কৰিছে। সোমনাথ ওজাই প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ প্ৰদান কৰিছে। উত্তৰ গুৱাহাটীৰ মাইহাং সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত বিহু কৰ্মশালাৰ আয়োজন কৰা হৈছে। কৰ্মাশালাত বিহু সম্ৰাজ্ঞী মৌচুমী বৰা আৰু নয়না দাসৰ তত্বাৱধানত তিনি শতাধিক শিক্ষাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। একেদৰে যোৰহাটৰ টীয়ক আৰু চৰাইদেউতো বিহুনাচৰ কৰ্মশালা অনুষ্ঠিত হৈছে। তামুলপুৰ জিলাৰ তামুলপুৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক কোষ আৰু ছাত্ৰ একতা সভাৰ যুটীয়া উদ্যোগত আজি ষষ্ঠ বাৰ্ষিক প্ৰাক বিহু আৰু প্ৰাক বৈশাগু অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত বি টি আৰ এলেকাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰে।

উজনি অসমৰ বিভিন্ন অঞ্চলত বিহুৰ উলহ-মালহ পৰিলক্ষিত হোৱাৰ লগতে নামনি অসমতো জনসাধাৰণে বিহুৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কোনো কোনো ঠাইত বিহুৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্য মেলা, লোকবাদ্য আৰু বিহুনাচৰ প্ৰতিযোগিতা তথা সাজপাৰৰ বিপনী মুকলি কৰা হৈছে।

ইপিনে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আৰু জিলা প্ৰশাসনসমূহৰ সহযোগত ৰাজ্যৰ বিভিন্ন ঠাইত অসমী ব'হাগী মেলা-২০২৬ অনুষ্ঠিত হৈছে।

মঙলদৈ চহৰৰ জয়ন্ত হাজৰিকা স্মৃতি উদ্যানত আজিৰেপৰা ব'হাগী মেলা অনুষ্ঠিত হৈছে। সোমবাৰলৈ হ'বলগীয়া এই মেলা দৰং জিলাৰ আয়ুক্ত আয়ুসী জৈনে উদ্বোধন কৰে।

হাফলঙত তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। এই মেলাত লোকসংগীত, বিহু নাচ আৰু পৰম্পৰাগত নৃত্যকে ধৰি ৰাজ্যৰ চহকী পৰম্পৰা প্ৰদৰ্শন কৰা হৈছে। এই মেলাত অঞ্চলটোৰ বিভিন্ন মহিলা সমিতিয়ে প্ৰস্তুত কৰা পিঠাপনা, হস্তশিল্প, বস্ত্ৰ আদি সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। অসম গ্ৰামীণ জীৱিকা মিছনৰ তত্বাৱধানত শিলচৰত আজিৰেপৰা ব'হাগী মেলা অনুষ্ঠিত হৈছে। ১৩ এপ্ৰিললৈ চলিবলগীয়া এই মেলাত আত্মসহায়ক গোটৰ সদস্যসকলৰ হস্তনিৰ্মিত আৰু থলুৱা সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। যোৰহাটৰ অ'ল্ড চাৰ্কিট

ৰোডত ব'হাগী মেলাৰ আয়োজন কৰা হৈছে। জিলাখনৰ বিভিন্ন আত্মসহায়ক গোট আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলে এই মেলাত অংশগ্ৰহণ কৰিছে। তিতাবৰতো ব'হাগী মেলা অনুষ্ঠিত হোৱাৰ বাতৰি পোৱা গৈছে।

ooooo

ভাৰতীয় বিশ্ববিদ্যালয় সংস্থাৰ তত্বাৱধানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পহিলা এপ্ৰিলৰ পৰা অনুষ্ঠিত উত্তৰ-পূব ভাৰত আন্তঃবিশ্ববিদ্যালয় কাৰাটে প্ৰতিযোগিতা আৰু সৰ্বভাৰতীয় আন্তঃবিশ্ববিদ্যালয় কাৰাটে প্ৰতিযোগিতাৰ সামৰণি পৰিছে। ডিব্ৰুগড়ৰ খনিকৰৰ বহুমুখী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত এই প্ৰতিযোগিতাত দেশৰ ডেৰশখনৰো অধিক বিশ্ববিদ্যালয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ সৈতে সংগতি ৰাখি 'কাৰাকৰি' শীৰ্ষক এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। প্ৰতিযোগিতাত জলন্ধৰৰ লাভলি প্ৰফেচনেল বিশ্ববিদ্যালয়ে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰাৰ লগতে চেগ বিশ্ববিদ্যালয়ে দ্বিতীয় শ্ৰেষ্ঠ দল আৰু কালিকট বিশ্ববিদ্যালয়ে তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত নিউ চণ্ডীগড়ৰ মুল্লানপুৰত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে পাঞ্জাব কিংছক জয়ৰ বাবে ২২০ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। হায়দৰাবাদে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ছটা উইকেট হেৰুৱাই ২১৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পাঞ্জাব কিংছে বাতৰি যুগুতোৱাৰ পৰলৈ ৪ অ'ভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ৫৫ ৰান সংগ্ৰহ কৰি খেলি আছিল। ইয়াৰ পূৰ্বে পাঞ্জাব কিংছে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

ইপিনে, চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত চেন্নাই ছুপাৰ কিংছ আৰু ডেলহী কেপিটেলছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত